# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-DEC.-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines
::::::::::::::::::::

১। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত নিৰ্মীয়মান প্ৰকল্পস্থলী আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পৰিদৰ্শন।

২। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কামৰূপ মহানগৰ জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতত আজি প্ৰথমটো শুনানি।

৩। বাংলাদেশত হিন্দু সম্প্ৰদায়ক আক্ৰমণৰ ঘটনাক লৈ ৰাজ্যৰ বিভিন্ন স্থানত প্ৰতিবাদ। ৰাজ্য চৰকাৰে দেশখনৰ পৰিস্থিতিত চোকা দৃষ্টি ৰাখিছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৪। ডংকামোকামত প্ৰতিবাদকাৰীৰ দ্বাৰা তুলিৰাম ৰংহাঙৰ পৈতৃক বাসগৃহত অগ্নিসংযোগ। আৰক্ষীৰ গুলীত তিনিজন আহত।

**আৰু**

৫। ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ ৩ হাজাৰ ৪২০ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান।

ooooo

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত নিৰ্মীয়মান প্ৰকল্পস্থলী আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পৰিদৰ্শন কৰে। তেওঁ লগতে অহা ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উদ্বোধন কৰিবলগীয়া বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পস্থলীও পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট সকলক এই প্ৰকল্পৰ চূড়ান্ত পৰ্যায়ৰ কাম নিয়াৰিকৈ আৰু শীঘ্ৰে কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে গুৰুজনাৰ জন্মস্থানক ধৰ্মীয় আৰু সাংস্কৃতিক ক্ষেত্ৰ হিচাপে গঢ়ি তুলি পৰ্যটকক আকৰ্ষণ কৰাৰ বাবে ৰাজ্য চৰকাৰে দখলমুক্ত কৰা ১৬২ বিঘা ভূমিত ২১৭ কোটি টকা ব্যয়ৰে এই প্ৰকল্প নিৰ্মাণ কৰা হৈছে। ইয়াক বিশ্বৰ উচ্চতম গুৰু আসন, সত্ৰীয়া সংস্কৃতিৰ প্ৰতিফলিত কৰা বিভিন্ন কাৰুকাৰ্যসূচীত অতিথিগৃহ, দেৱবাদ্য তালৰ আৰ্হিত কলাকেন্দ্ৰ, খোলৰ আৰ্হিত গৱেষণা কেন্দ্ৰ, নাৱৰ আৰ্হিত কৌশল বিকাশ কেন্দ্ৰ আৰু জাপিৰ আৰ্হিত নাট ঘৰকে ধৰি বিভিন্ন সমলেৰে সমৃদ্ধ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে প্ৰকল্পস্থলী পৰিদৰ্শনৰ পাছত সাংবাদিকৰ আগত কয়, যে গুৰুজনাৰ স্মৃতি বিজড়িত এই স্থানৰ পৱিত্ৰতা আৰু গৌৰৱক পুনৰুদ্ধাৰ কৰাৰ বাবে সকলো প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ হৈ উঠা প্ৰকল্পটো উদ্বোধন কৰি গৃহমন্ত্ৰীগৰাকীয়ে এখন বিশাল ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে, কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ২০২১ চনৰ ২৫ ফেব্ৰুৱাৰীত প্ৰকল্পটোৰ আধাৰশিলা স্থাপন কৰিছিল। এই প্ৰকল্পৰ জৰিয়তে বটদ্ৰৱা থান কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি উঠাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দুলৈ ৰূপান্তৰ হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

০০০০০

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত কামৰূপ মহানগৰ জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতত আজি প্ৰথমটো শুনানি গ্ৰহণ কৰা হয়। আজি শুনানিত আদালতৰ পূৰ্বৰ নিৰ্দেশ অনুসৰি বাক্সাৰ জিলা কাৰাগাৰৰ পৰা অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ লগতে হাফলং উপ-কাৰাগাৰৰ পৰা শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তক ভাৰ্চুৱেল ব্যৱস্থাৰে আদালতত হাজিৰ কৰোৱা হয়। আদালতে এই গোচৰৰ পৰৱৰ্তী শুনানিৰ দিন অহা ৩ জানুৱাৰী ধাৰ্য কৰিছে। সেইদিনা অভিযুক্তকেইজনৰ ওপৰত গোচৰৰ ধাৰা আৰোপ সন্দৰ্ভত আদালতে শুনানি গ্ৰহণ কৰিব। চৰকাৰী পক্ষৰ অধিবক্তাক আজি পেনড্ৰাইভৰ জৰিয়তে অভিযোগনামাৰ প্ৰতিলিপি দিয়া হৈছে। আজি শুনানিকালত কোনো এগৰাকী অভিযুক্তৰ হৈ জামিন আবেদন দাখিল হোৱা নাই বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ছজন অভিযুক্তৰ হৈ পূৰ্বে নিয়োগ কৰা অধিবক্তা ধ্ৰুৱজ্যোতি দাসে আৰু অমৃতপ্ৰভা মহন্তৰ নিজাববীয়া অধিবক্তা গেব্ৰিয়েল চাহুৰে যুক্তি প্ৰদৰ্শন কৰে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত অভিযুক্তসকলৰ হৈ ওকালতি নকৰিবলৈ সদৌ অসম উকিল সন্থা আৰু গুৱাহাটী উকিল সন্থাই অধিবক্তা সমাজক আহ্বান জনাইছিল। এই সন্দৰ্ভত জ্যেষ্ঠ অধিবক্তা বিজন মহাজনে এইদৰে কয়–

**বাইট (বিজন মহাজন)**

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত হত্যা সম্পৰ্কীয় ধাৰা সন্নিৱিষ্ট হৈ থকাৰ পৰিপ্ৰেক্ষিতত মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে যোৱা ১৬ ডিচেম্বৰত সমগ্ৰ বিষয়টো বিচাৰৰ বাবে ছেছন ন্যায়াধীশৰ আদালতলৈ প্ৰেৰণ কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আজি বজালী জিলাৰ মহিলা উদ্যোগীসকলক ১০ হাজাৰকৈ টকাৰ চেক বিতৰণ কৰে। পাঠশালাৰ ভট্টদেৱ ক্ষেত্ৰত অনুষ্ঠিত সভাত মুখ্যমন্ত্ৰীগৰাকীয়ে অসম ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা অভিযানৰ অধীনত ২৬ হাজাৰ ৩২৫ গৰাকী আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অধীনৰ দুহেজাৰ ৪৮০ গৰাকী মহিলাক চেক প্ৰদান কৰে। অনুষ্ঠানত মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, সাংসদ ফণীভূষণ চৌধুৰী, বিধায়ক ফণীধৰ তালুকদাৰ, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক কুন্তল মণি শৰ্মা বৰদলৈ, বজালী জিলাৰ আয়ুক্ত মৃদুল কুমাৰ দাস আদিকে ধৰি কেইবাজনো জ্যেষ্ঠ নেতা তথা চৰকাৰী বিষয়া উপস্থিত থাকে।

০০০০০

প্ৰতিৱেশী ৰাষ্ট্ৰ বাংলাদেশত হিন্দু সম্প্ৰদায়ৰ লোকৰ ওপৰত কৰা আক্ৰমণৰ ঘটনাক লৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদ সাব্যস্ত কৰা হৈছে। বৰাক উপত্যকাৰ শ্ৰীভূমিত আজি বঙালী পৰিষদৰ সদস্যসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে দেশখনত দীপু দাস নামৰ লোকজনৰ নৃশংস হত্যাকাণ্ডক কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তৰৱৰ্তীকালীন চৰকাৰক সতৰ্ক কৰি দিয়ে। তেওঁলোকে এই ঘটনাত কেন্দ্ৰীয় চৰকাৰক কঠোৰভাৱে হস্তক্ষেপ কৰিবলৈ দাবী জনায়।

শিৱসাগৰত উজনি অসম থলুৱা মুছলীম কল্যাণ পৰিষদ আৰু উজনি অসম মুছলীম কল্যাণ পৰিষদে আজি বাংলাদেশৰ চৰকাৰ আৰু মৌলবাদী সংগঠনৰ কাৰ্যকলাপৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে ঢাকাত দীপু দাসৰ নামৰ লোকজনক হত্যাৰ ঘটনাক গৰিহণা দি কেন্দ্ৰীয় চৰকাৰক ব্যৱস্থা ল'বলৈ আহ্বান জনায়।

ইপিনে, প্ৰতিবেশী ৰাষ্ট্ৰখনত সৃষ্টি হোৱা উদ্বেগজনক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ বাংলাদেশ সীমান্ত অঞ্চলসমূহত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰি তোলা হৈছে। কাছাৰ জিলাৰ কাটিগড়াৰ নাটানপুৰ অঞ্চলৰ ভাৰত-বাংলাদেশ সীমান্তত নিৰাপত্তা ব্যৱস্থা কঠোৰ কৰি তোলা হৈছে। অঞ্চলটোত দিনে-নিশাই পহৰাৰ ব্যৱস্থা কৰা হৈছে। একেদৰে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সীমান্ত অঞ্চলতো নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

ৰাজ্য চৰকাৰে বাংলাদেশত সৃষ্টি হোৱা অশান্ত পৰিস্থিতি গভীৰ উদ্বেগেৰে লক্ষ্য কৰি আছে আৰু সমগ্ৰ বিষয়টোৰ ওপৰত চোকা দৃষ্টি ৰখা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে বংলাদেশত হিন্দু ধৰ্মৰ লোকসকলক নিৰ্যাতনৰ বিষয়টোও গভীৰভাৱে নিৰীক্ষণ কৰি থকা হৈছে।

**বাইট (চি এম)**

কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে বাংলাদেশত ভাৰত বিৰোধী অপপ্ৰচাৰ সম্পৰ্কত দেশখনৰ চৰকাৰক কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনাইছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এগৰাকী মুখপাত্ৰই নতুন দিল্লীত প্ৰকাশ কৰা এখন বিজ্ঞপ্তিত যোৱা ২০ ডিচেম্বৰত নতুন দিল্লীত থকা বাংলাদেশৰ উচ্চায়োগৰ কাৰ্যালয়লৈ একাংশ দুষ্কৃতিকাৰী বলপূৰ্বকভাৱে প্ৰৱেশৰ চেষ্টা কৰা বুলি বাংলাদেশৰ একাংশ সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰিক অপপ্ৰচাৰ বুলি অভিহিত কৰে।

আনহাতে, বাংলাদেশৰ চট্টগ্ৰামত থকা ভাৰতৰ সহকাৰী উচ্চায়োগৰ সমীপত শেহতীয়াকৈ হোৱা অপ্ৰীতিকৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰা হৈছে। ইপিনে, শনিবাৰৰ পৰা দেশখনৰ চট্টগ্ৰামত থকা ভাৰতীয় ভিছা আবেদন কেন্দ্ৰৰ সকলো কাম-কাজ বন্ধ কৰি দিয়া হৈছে।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকামোকামত পি জি আৰ আৰু ভি জি আৰ ভূমিৰ পৰা অবৈধ দখলকাৰীক উচ্ছেদৰ দাবীত কাৰ্বি ছাত্ৰ সন্থাকে ধৰি কেইবাটাও কাৰ্বি জাতীয় সংগঠনে চলাই থকা প্ৰতিবাদে আজি হিংসাত্মক ৰূপ ধাৰণ কৰে। একাংশ প্ৰতিবাদকাৰীয়ে আজি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ পৈতৃক বাসগৃহত অগ্নিসংযোগ কৰে আৰু বাসগৃহটো লণ্ডভণ্ড কৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে গুলীচালনা কৰিবলগীয়া হোৱাত তিনিজন প্ৰতিবাদকাৰী আহত হয়। আনহাতে প্ৰতিবাদকাৰীৰ আক্ৰমণত এজন আৰক্ষীৰ লোক আহত হয়। উল্লেখযোগ্য যে ষষ্ঠ অনুসূচীৰ অন্তৰ্গত কাৰ্বি আংলং জিলাৰ পি জি আৰ আৰু ভি জি আৰ ভূমিৰ পৰা দখলকাৰীক উচ্ছেদৰ দাবীত কাৰ্বি ছাত্ৰ সন্থা আৰু জাতীয় সংগঠনসমূহে যোৱা ১৫ দিন ধৰি অনশন কাৰ্যসূচীকে ধৰি আন্দোলন চলাই আহিছে। আনহাতে এই ভূমি সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ত চলি থকা গোচৰৰ বাবে বিষয়টোত চৰকাৰ বা স্বায়ত্তশাসিত পৰিষদে বৰ্তমান হস্তক্ষেপ কৰিব নোৱাৰে বুলি মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে প্ৰকাশ কৰিছে। অঞ্চলটোৰ পৰিস্থিতি উত্তেজনাপূৰ্ণ যদিও নিয়ন্ত্ৰণত আছে বুলি আমাৰ পশ্চিম কাৰ্বি আংলং জিলাৰ সংবাদদাতাই জনাইছে।

০০০০০

ৰাজ্য চৰকাৰে শেহতীয়াকৈ কামৰূপ মহানগৰ জিলাত নিযুক্তি দিয়া ৩৩১ জন স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকক আজি তেওঁলোকে নিযুক্তি পোৱা বিদ্যালয়সমূহ নিৰ্দিষ্ট কৰি দিয়ে। দিছপুৰ লোকনিৰ্মাণ বিভাগৰ প্ৰশিক্ষণ

কেন্দ্ৰত আয়োজিত অনুষ্ঠানত জিলাৰ আয়ুক্ত সুমিত ছাত্তাৱনে আনুষ্ঠানিকভাৱে নৱ নিযুক্ত শিক্ষকসকলক বিদ্যালয় আৱণ্টন পত্ৰ প্ৰদান কৰে। কামৰূপ মহানগৰ জিলাৰ সমগ্ৰ শিক্ষা আঁচনিৰ বিষয়া তাপসী শৰ্মাই আঁত ধৰা এই অনুষ্ঠানত জিলাৰ অতিৰিক্ত আয়ুক্ত কেচিও কৰন পেগু, বিদ্যালয়সমূহৰ পৰিদৰ্শক, সহ পৰিদৰ্শক, জিলা আঁচনি বিষয়া, অসম মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সংস্থাৰ বিষয়ববীয়াসকল, জিলা অধিবিদ্যা পৰিষদৰ সভাপতি, সম্পাদক আদিকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত কলা শাখাত ১৩০ জন স্নাতক শিক্ষক, ১৬ জন হিন্দী শিক্ষক, দুজন সংস্কৃত শিক্ষক, ৭৩ জন বিজ্ঞান শিক্ষক আৰু ১২ জন স্নাতকোত্তৰ শিক্ষকক বিদ্যালয় আৱণ্টনৰ পত্ৰ প্ৰদান কৰা হয়।

০০০০০

ভাৰতৰ বিশিষ্ট তথা সমগ্ৰ বিশ্বতে স্বীকৃত এগৰাকী গণিতজ্ঞ শ্ৰীনিবাস ৰামানুজনৰ জয়ন্তী উপলক্ষে সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় গণিত দিৱস উদযাপন কৰা হৈছে। বৈজ্ঞানিক প্ৰগতি আৰু দৈনন্দিন জীৱন যাত্ৰাত গণিতৰ গুৰুত্বৰ দিশটোত আলোকপাত কৰি শিক্ষানুষ্ঠান, গৱেষণা প্ৰতিষ্ঠান আৰু শৈক্ষিক মঞ্চসমূহত গণিতৰ এই দিৱস ব্যাপকভাৱে আয়োজন কৰা হৈছে। গণিতৰ ক্ষেত্ৰখনলৈ ৰামানুজনে আগবঢ়োৱা অসামান্য অৱদানৰ বাবে ভাৰত চৰকাৰে ২০১১ চনত প্ৰতি বছৰে ২২ ডিচেম্বৰ দিনটো গণিত দিৱস হিচাপে পালনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ইয়াৰ পৰৱৰ্তী বৰ্ষটোত অৰ্থাৎ ২০১২ চনত সমগ্ৰ দেশতে গাণিতিক শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি ৰাষ্ট্ৰীয় গণিত দিৱস উদযাপন কৰা হয়।

অসমতো ৰাষ্ট্ৰীয় গণিত দিৱস উপলক্ষে শৈক্ষিক প্ৰতিষ্ঠানসমূহত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰীয় গণিত দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰি ৰাজ্যৰ শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে যুৱ প্ৰজন্মক উদ্ভাৱনী চিন্তা আৰু শক্তিশালী জাতি গঠন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। শিক্ষামন্ত্ৰীগৰাকীয়ে মহান গণিতজ্ঞ শ্ৰীনিৱাস ৰামানুজনক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

কোকৰাঝাৰৰ ৰাইনাডদাব্ৰি উচ্চ মাধ্যমিক বিদ্যালয়তো  আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত অসম বিজ্ঞান সমিতিৰ কোকৰাঝাৰ শাখাৰ আতিথ্যত ৰাষ্ট্ৰীয় গণিত দিৱস পালন কৰা হয়। গণিত, কলা আৰু সৃষ্টিশীলতাক বিষয়বস্তু হিচাপে লৈ আয়োজন কৰা আজিৰ অনুষ্ঠানত বহুকেইখন বিশিষ্ট ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ ৩ হাজাৰ ৪২০ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। খানাপাৰাৰ পশু চিকিৎসা  বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এই নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে নিযুক্তি সম্পন্ন হোৱাৰ বিষয়ে উল্লেখ কৰি কয় যে ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতি দিয়া অনুসৰি ১ লাখ নিযুক্তিৰ সংখ্যা কেতিয়াবাই অতিক্ৰম কৰিছে। তেওঁ কয় যে নিয়মীয়া পদত ১ লাখ নিযুক্তি দিয়াৰ উপৰি ঠিকাভিত্তিক পদসমূহতো প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে। তেওঁ কয় যে প্ৰতিশ্ৰুতি পূৰণৰ দিশত অগ্ৰসৰ হৈয়েই চৰকাৰখনে তিনিটা বিভাগ শিক্ষা, স্বাস্থ্য আৰু আৰক্ষী বিভাগত খালী হৈ থকা পদসমূহত নিযুক্তি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। এই অনুসৰি দৰিদ্ৰ পৰিয়ালৰ বহু যুৱক-যুৱতীয়েও সম্পূৰ্ণ মেধাৰ ভিত্তিত নিযুক্তি লাভ কৰাৰ ফলত পৰিয়ালসমূহে সকাহ লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে। নিযুক্তিপত্ৰ প্ৰদান অনুষ্ঠানত মন্ত্ৰী অশোক সিংহল আৰু প্ৰশান্ত ফুকনো উপস্থিত থাকে। অনুষ্ঠানত চিকিৎসা শিক্ষা আৰু গৱেষণা সঞ্চালকালয়ৰ অধীনত এহেজাৰ ৯৯৮ গৰাকী, স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ অধীনত ৮২৮ গৰাকী, স্বাস্থ্যসেৱা (পৰিয়াল কল্যাণ) সঞ্চালকালয়ৰ ৫৯২ গৰাকী আৰু আয়ুষ সঞ্চালকালয়ৰ অধীনত দুগৰাকী প্ৰাৰ্থীক নিযুক্তি

পত্র প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, আজি নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলৰ সৈতে সৰ্বমুঠ ১ লাখ ৪৫ হাজাৰ ৪৪৯ গৰাকী ব্যক্তিয়ে বৰ্তমানলৈকে নিযুক্তি লাভ কৰিছে।

ooooo

ধেমাজি জিলাৰ চিলাপথাৰ মহাবিদ্যালয় খেল পথাৰত আজি সাংসদ খেল মহোৎসৱৰ চূড়ান্ত খেলসমূহ অনুষ্ঠিত হয়। লখিমপুৰ লোকসভা সমষ্টিৰ অন্তৰ্গত ৯টা বিধানসভা সমষ্টিক সামৰি অনুষ্ঠিত হোৱা এই খেলসমূহত মুঠ ৬০০ খেলুৱৈয়ে অংশগ্ৰহণ কৰে। খেল মহোৎসৱৰ চূড়ান্ত খেলত দৌৰ, কাবাদী, দবা আৰু ভলীবল প্ৰতিযোগিতাত বাচনি লাভ কৰা খেলুৱৈসকলক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খেলসমূহত অংশগ্ৰহণ কৰাৰ সুযোগ প্ৰদান কৰিব বুলি লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই মন্তব্য কৰে।

*(বাইট ঃ প্ৰদান বৰুৱা)*

খেল মহোৎসৱৰ চূড়ান্ত প্ৰতিযোগিতাত সাংসদ শ্ৰী বৰুৱাৰ সৈতে জোনাই বিধানসভা সমষ্টিৰ বিধায়ক ভূবন পেগু আৰু শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক বলিন চেতিয়াও উপস্থিত থাকে।

ooooo

কাছাৰ জিলাৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিন্নাকান্দি দ্বিতীয় খণ্ডত আজি মন্ত্ৰী পীযুষ হাজৰিকাই বৰাক নদীৰ খহনীয়া প্ৰতিৰোধৰ বাবে এটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পটো ৪০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা হ'ব। এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত বৰাক উপত্যকা উন্নয়ন মন্ত্ৰী কৌশিক ৰায়, কাছাৰ জিলা বিজেপিৰ সভাপতি ৰূপম সাহা, আৰক্ষী অধীক্ষক পাৰ্থপ্ৰতীম দাসসহ বহু লোক উপস্থিত থাকে। অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী পীযুষ হাজৰিকাই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখন বান মুক্ত কৰিবলৈ বিভিন্ন কাৰ্যসূচী হাতত লৈছে। মুখ্যমন্ত্ৰী নিৰ্দেশতে ৰাজ্যৰ জলসম্পদ বিভাগে বিগত চাৰি বছৰত এহেজাৰ কিলোমিটাৰ মথাউৰি নিৰ্মাণৰ কাম কৰি আছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে বৰাক নদীৰ খহনীয়া প্ৰতিৰোধ প্ৰকল্পই জিলাখনক বান মুক্ত কৰিব।

ooooo

সমাপ্ত